Krishna Kanta Handiqui State Open University

MA 1st Sem. Examination, 2016

Subject : Assamese

Paper - 04

অসমীয়া সংস্কৃতি

Time : 3 Hrs. *Full Marks : 80*

১। তলৰ প্ৰশ্নসমূহৰ যিকোনো পাঁচটাৰ উত্তৰ লিখক। ২×৫ = ১০
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) কিৰাতসকলৰ উল্লেখ প্ৰথমতে ক'ত পোৱা যায়?

(খ) লোকপৰিৰেশ্য কলা বুলিলে কি বুজা যায়?

(গ) অসমৰ কোনকেইটা জনজাতিয়ে শিৱক পূজা কৰে?

(ঘ) 'সত্ৰৰ এটা নিৰ্দিষ্ট গঠন প্ৰণালী আছে' — এই প্ৰণালীকেইটা কি কি?

(ঙ) লোকনৃত্যসমূহৰ মূলতঃ কি ধৰণে ভাগ কৰিব পাৰি?

(চ) অসমীয়া সাঁচিপতীয়া পুথিচিত্ৰৰ প্ৰথম নিদৰ্শন কি?

২। তলৰ যিকোনো তিনিটাৰ চমুটোকা লিখক। ৪×৩ = ১২
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) অসমীয়া মানুহৰ লোকাচাৰ

(খ) কালিকাপুৰাণ

(গ) কৃষ্ণভংগী আৰু গোপীভংগী

(ঘ) মৈদাম

৩। তলৰ প্ৰশ্নসমূহৰ যিকোনো তিনিটাৰ উত্তৰ লিখক। ৬×৩ = ১৮
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ২৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) সংস্কৃতিৰ এটি সংজ্ঞা দিয়ক। ইয়াক কি কি ভাগত ভগাব পাৰি? সাংস্কৃতিক সমন্বয় কি, বুজাই লিখক।

(খ) অসমৰ শাক্তধৰ্মৰ ইতিহাস সম্বন্ধে এটি আলচ দাঙি ধৰক।

(গ) মাৰ্গীয় সংগীত আৰু লোকসংগীত বুলিলে কি বুজা যায়? অসমৰ পটভূমিত দুয়োবিধ সংগীতৰ নিদৰ্শন দেখুৱাই এটি নিবন্ধ যুগুতাওক।

(ঘ) আহোম যুগৰ ভাস্কৰ্যশৈলী সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰক।

৪। তলৰ প্ৰশ্নসমূহৰ যিকোনো চাৰিটাৰ উত্তৰ লিখক। ১০×৪ = ৪০
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০০ টা শব্দৰ ভিতৰত লিখিব)

(ক) অসমত ধৰ্ম আৰু ভাষাৰ ক্ষেত্ৰত কেনেদৰে সমন্বয় সাধন হৈছে সেই বিষয়ে এটি প্ৰবন্ধ যুগুতাওক।

(খ) অসমৰ সত্ৰসমূহত উদ্‌যাপিত উৎসৱ-পাৰ্বণসমূহৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

(গ) লোকসংস্কৃতিৰ এটি সংজ্ঞা নিৰূপণ কৰক। লোকসংস্কৃতিৰ অধ্যয়নক্ষেত্ৰসমূহ কেনেদৰে দেখুৱাব পাৰি? এনে ক্ষেত্ৰৰ আধাৰত অসমীয়া লোকসংস্কৃতিৰ এটি সাধাৰণ সমীক্ষা দাঙি ধৰক।

(ঘ) লোক পৰিৱেশ্য কলাৰূপে কুশান গান আৰু ভাৰীগানৰ এটি পৰ্যালোচনা দাঙি ধৰক।

(ঙ) 'অসমৰ প্ৰাচীন মন্দিৰ স্থাপত্য শৈলী'— এই শিতানত এখনি ৰচনা লিখক।

——×——